
# কামাখ্যা কুমাৰ পদ্মপতি



**শ্ৰীশৈলজা কুমাৰ পদ্মপতি**

**"শোণিত সুবাস" ঃ** তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাব়, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ সম্পাদক, অসমীয়া ক্লাব়, তেজপুৰ
ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১,

কামাখ্যা কুমাৰ পদ্মপতি ঃ কামাখ্যা কুমাৰ পদ্মপতি
লিখক ঃ শ্ৰীশৈলজা কুমাৰ পদ্মপতি

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাৱ, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ ৪ মে' ২০১৪

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অৱগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাৱ, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাৱে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাৱৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাৱে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাৱৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাৱৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছৱি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাৱে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাৱৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাৱে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাৱ আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাৱৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাৱৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাৱ, তেজপুৰ**

তেজপুৰৰ মিলনপুৰৰ শইকীয়া চুবুৰিৰ প্ৰয়াত উমাকান্ত বৰুৱাই এটা গৱেষণালব্ধ প্ৰবন্ধত উল্লেখ কৰি মতে অসমৰ প্ৰখ্যাত প্ৰত্নতাত্বিক সাহিত্যিক ৰজনী কুমাৰ পদ্মপতিয়ে (প্ৰথমে 'দাস' আছিল) শইকীয়া চুবুৰি প্ৰাথমিক বিদ্যালয়ৰ পৰা ১৮৮০ চনত বৃত্তি সহকাৰে প্ৰাথমিক পৰীক্ষা পাছ কৰি তেজপুৰ চৰকাৰী হাইস্কুলত নামভৰ্তি কৰি ১৮৮৭ চনত সুখ্যাতিৰে এণ্ট্ৰেন্স পাছ কৰি কলিকতাত এফ-এ পঢ়িছিলগৈ। ১৮৮৯ চনত এফ-এ পৰীক্ষাত অনুত্তীৰ্ণ হৈ তেজপুৰলৈ উলটি আহিছিল। ৰজনী কুমাৰৰ পিতৃ আছিল বহুধন দাস। বহুধন দাসৰ আন এগৰাকী সুযোগ্য পুত্ৰ আছিল ফণীন্দ্ৰ কুমাৰ পদ্মপতি। তেওঁ আয়ুৰ্বেদিক ডাক্তৰ আছিল। --- উল্লেখযোগ্য যে বহুধন দাসৰ পিতৃ পিতামহসকল তেজপুৰৰ নিগাজি বাসিন্দা নাছিল। বহুধন দাসৰ পিতৃ গোবৰ্দ্ধন দাস আছিল কামৰূপ জিলাৰ নলবাৰীৰ বতাহগিলা আৰু পকোৱা অঞ্চলৰ 'চৌধাৰী' বিষয়বাবধাৰী কায়স্থ সম্প্ৰদায়ৰ লোক। একালত 'দেশ-কামৰূপ'ৰ ৰজাৰ কৰ-কাটল তোলা ৰাজ-বিষয়া আছিল সেই চৌধাৰী সকল। আনুমানিক ১৮১৯ চন মানত জন্ম গ্ৰহণ কৰা বহুধন দাসে গৌহাটী চেমিনাৰীত ১৮৩৫ চনত নৱম শ্ৰেণীত পঢ়ি, সেই শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাত নবহাকৈয়েই, ১৮৩৬ চনত গুৱাহাটী কাছাৰীত 'ভাষা ভঙা কাচতি' (Translator) পদবীত নিযুক্ত হৈছিল। বহুধন দাসে গুৱাহাটী কাছাৰীত এবছৰমান সেই চাকৰি কৰাৰ পিছত ১৮৩৭ চনত অসমৰ কমিছনাৰ জেনকিন্স চাহাবে তেওঁক দৰং জিলাৰ জিলাধিপতি মেথি চাহাবৰ 'ভাষাভঙা কাকতি' হিচাবে তেজপুৰ কাছাৰীলৈ বদলি কৰিছিল। তেতিয়াই তেজপুৰ সদৰ থানাৰ দক্ষিণে থকা মাটি এডোখৰতে সাধাৰণ ঘৰ এটা সাজি থাকিবলৈ লৈ তাৰে পৰা চাকৰি কৰিবলৈ লৈছিল। তাৰ পিচত ১৮৪১-৪২ চন মানত মিলনপুৰ কোচৰ চুবুৰিত ৰজাদিনীয়া ডা-ডাঙৰীয়াৰ লেখিয়াকৈ ঘৰবাৰী সাজি



বসবাস কৰিবলৈ লৈছিল। তেখেতৰ ঔৰসত ১৮৬৬ চনত অসমৰ প্ৰখ্যাত প্ৰত্নতাত্বিক সাহিত্যিক ৰজনি কুমাৰ পদ্মপতিৰ জন্ম হৈছিল। ৰজনি কুমাৰ পদ্মপতিয়ে ১৯১১ চনতে 'পুৰণি আসামত এভুমুকি' নামৰ এখনি পুথি লিখাৰ উপৰিও পাঁচখন ইংৰাজী গ্ৰন্থ প্ৰণয়ন কৰিছিল। তেওঁ ১৯৩০ চনত গোলাঘাটত বহা অসম সাহিত্য সভাৰ বুৰঞ্জী সন্মিলনৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল।

প্ৰয়াত ৰজনী কুমাৰ পদ্মপতি আৰু মাতৃ গোলেশ্বৰী পদ্মপতিৰ তৃতীয় সন্তান কামাখ্যা কুমাৰ পদ্মপতিৰ জন্ম হৈছিল ১৯০৪ চনত তেজপুৰ চহৰৰ বাৰহলীয়াৰ পৈত্ৰিক বাসগৃহত। তেওঁৰ জন্মৰ দিনটো সকলোৰে বাবে শুভ আৰু তাৎপৰ্যপূৰ্ণ বুলি সকলোৱে অনুভৱ কৰিছিল। কাৰণ সেইদিনা আছিল কৃষ্ণ জন্মাষ্টমী। কামাখ্যা কুমাৰৰ জন্ম এনে এটি পবিত্ৰ দিনৰ পবিত্ৰ মুহূৰ্ত্তত হৈছিল।

পৰিয়ালৰ আন আন সদস্যসকলৰ মৰম-চেনেহ, আদৰ যত্ন তথা পিতৃ-মাতৃৰ অনুশাসনৰ মাজেদি শিশু কামাখ্যাৰ ল'ৰালিৰ দিনবোৰ সুন্দৰ ভাবে অতিবাহিত হৈছিল। তেওঁৰ জ্যেষ্ঠ ভাতৃ অন্নদা, মাজুজনা ককায়েক বিৰজা আৰু জ্যেষ্ঠ ভগ্নী বিমানৰ আদৰ যত্নৰ যোগেদি শৈশৱৰ মধুৰ দিনবোৰ ঠন ধৰি উঠিছিল। তেওঁৰ কনিষ্ঠ ভাতৃৰ নাম আছিল প্ৰমোদা। প্ৰমোদা তেওঁৰ বৰ মৰমৰ আছিল। শেষলৈ প্ৰমোদাৰ শিক্ষা-দীক্ষা আৰু জীৱনৰ আন আন গুৰুত্বপূৰ্ণ বিষয়সমূহত জ্যেষ্ঠ ভাতৃ দুগৰাকীৰ লগতে তেওঁৰ বিশেষ দায়িত্ব গ্ৰহণ কৰি নিজ কৰ্ত্তব্য পালন কৰিছিল। কিন্তু প্ৰমোদাৰ অতি কম-বয়সতে অকাল মৃত্যু হয়। প্ৰমোদাৰ পৰিয়ালটোৰ দায়িত্ব যৌথভাৱে বাকীসকলে ল'বলগীয়া হয়। এই বিষয়ত কামাখ্যা কুমাৰে আগভাগ ল'বলগীয়া হৈছিল।

কামাখ্যা কুমাৰ পদ্মপতিৰ জন্ম অসমৰ এক বিশিষ্ট আৰু বৌদ্ধিক

পৰিয়ালত হৈছিল। তেওঁলোকৰ পৰিয়ালটো এটি নামজ্বলা আৰু সম্ভ্ৰান্ত পৰিয়াল ৰূপে সমগ্ৰ অসমতে জনাজাত। তেওঁৰ জ্যেষ্ঠ ভাতৃ অন্নদা কুমাৰ পদ্মপতি সমগ্ৰ অবিভক্ত দৰং জিলাৰ ভিতৰতেই প্ৰথম জন ইংৰাজী সাহিত্যৰ এম.এ.। তেওঁ এজন নামজ্বলা অধিবক্তা আছিল। আনজন, বিৰজা কুমাৰ পদ্মপতি এগৰাকী যশস্বী চিকিৎসক আছিল। কামাখ্যা কুমাৰ পদ্মপতি নিজেই আছিল অসম চৰকাৰৰ উচ্চ পদস্থ I.A.S. বিষয়া।

উপযুক্ত বয়সত পিতৃয়ে কামাখ্যাক প্ৰাথমিক শিক্ষাৰ বাবে তেজপুৰ ছোৱালী চৰকাৰী মজলীয়া বিদ্যালয়ত নাম ভৰ্তি কৰিছিল। আন বিদ্যালয়ত নিদি কন্যা বিদ্যালয়ত কিয় দিছিল সেইয়া কিন্তু ৰহস্যজনক। হয়তো সেই সময়ত সেইখন বিদ্যালয় বাসস্থানৰ সমীপত আছিল অথবা বিদ্যালয়খনত সেই সময়ত পৰিয়ালৰ জনাজাত কোনোবা যশস্বী শিক্ষকে শিক্ষকতা কৰিছিল।

ইয়াৰ পিছত চৰকাৰী উচ্চ বিদ্যালয়ত হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰে। তেওঁ নিৰ্জু স্বভাৱৰ তীক্ষ্ণ বুদ্ধি সম্পন্ন ছাত্ৰ আছিল। সকলোৰে একান্ত বাধ্য ছাত্ৰ ৰূপে শিক্ষক সকলৰ প্ৰিয়পাত্ৰ হ'ব পাৰিছিল। কামৰ নিয়মানুবৰ্ত্তিতা আৰু অনুশাসনমূলক পৰিবেশত পিতৃ ৰজনী কুমাৰে আটাইবোৰ সন্তানক একো একোজন সাৰ্থক মানুহ ৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত কোনো ধৰণৰ ত্ৰুটি কৰা নাছিল। ঘৰৰ উপযুক্ত পৰিবেশে কামাখ্যাৰ ভৱিষ্যত জীৱনৰ ভেটি গঢ় লোৱাত উল্লেখযোগ্য ভাবে প্ৰভাৱান্বিত কৰিছিল। সেয়েহে শিশুকালৰে পৰা স্কুলীয়া সকলো পৰীক্ষাতে তেওঁ সকলোকে সন্তুষ্ট কৰিব পৰাকৈ সু-ফলাফল প্ৰদৰ্শন কৰি আহিছিল। যথা সময়ত সুখ্যাতিৰে প্ৰৱেশিকা ডেওনা অতিক্ৰম কৰি গুৱাহাটীৰ কটন মহাবিদ্যালয়ত উচ্চ শিক্ষাৰ অৰ্থে নাম ভৰ্তি কৰিছিল। তাৰপৰা সন্মান সহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ উদ্দেশ্য কলিকতালৈ ৰাওনা হয়। সেই বিশ্ববিদ্যালয়ৰ পৰা



ইতিহাস বিষয়ত এম. এ. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। কলিকতাৰ ছাত্ৰ অৱস্থাত বসবাস কৰা দিনবোৰত অসম এছ'ছিয়েচন, অঃ ভাঃ উঃ সাঃ আদি সংস্থাসমূহত সক্ৰিয় ভাৱে জড়িত হৈ পৰিছিল। সেই সময়তে কেইবাজনো প্ৰখ্যাত অসমীয়াৰ সংস্পৰ্শ লৈ অহাৰ সুযোগ তেওঁ পাইছিল। এইসকল ব্যক্তিৰ লগত লগ লাগি নতুনকৈ উচ্চ শিক্ষা অথবা কৰ্মসূত্ৰে কলিকতালৈ আগমন কৰা অসমৰ ছাত্ৰ-ছাত্ৰীসকলক নানান দিহা পৰামৰ্শ আদি দি সহায় কৰিছিল।

তেজপুৰৰ দৰং মহাবিদ্যালয়ৰ প্ৰথমজন অধ্যক্ষ তথা বিশিষ্ট ৰাজনীতিবিদ কামাখ্যা ত্ৰিপাঠি, বিশিষ্ট সমাজসেৱী, শিক্ষাবিদ আৰু আইনবিদ দুলাল চন্দ্ৰ ভট্টাচাৰ্য আদিৰ দৰে কেইবাজনো বিশিষ্ট লোক কামাখ্যা কুমাৰৰ সহপাঠী আৰু বাল্যবন্ধু আছিল। পিছলৈ এনে ব্যক্তিসকলৰ সান্নিধ্যৰ যোগেদি তেওঁ সমাজসেৱাৰ প্ৰতি আকৃষ্ট হৈছিল। এনেদৰে এদিন অসমীয়া ক্লাৱৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰিছিল। কলিকতা বিশ্ব-বিদ্যালয়ত শিক্ষা সাং কৰি তেওঁ স্বগৃহ তেজপুৰলৈ উভতি আহে।

তাৰ পাছতেই তেওঁ পিতৃ আৰু জ্যেষ্ঠসকলৰ পৰামৰ্শ অনুসৰি অসম চৰকাৰৰ অসামৰিক প্ৰশাসনীয় বিষয়া ৰূপে যোগদান কৰাৰ মনস্থ কৰে আৰু নিযুক্তিৰ বাবে যাৱতীয় পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে প্ৰস্তুতি হাতত লয়। যথা সময়ত সাক্ষাৎকাৰ দিবলৈ শ্বিলঙলৈ যাবৰ বাবে আহ্বান পায়। এনেধৰণৰ সাক্ষাৎকাৰ দিওঁতাসকলে ইংৰাজসকলে পৰিধান কৰা সাজ-পোছাক পৰিধান কৰাতো বাধ্যতামূলক। কিন্তু কামাখ্যা কুমাৰৰ তেনে সাজ-পোছাক নথকাত জ্যেষ্ঠ ভাতৃ অন্নদা কুমাৰৰ অনুৰোধক্ৰমে উচ্চ প্ৰাথমিক বিষয়া শ্বিলঙৰ প্ৰয়াত চন্দ্ৰ কমল ভূঞা মহোদয়ে নিজৰ আটাইতকৈ সুন্দৰ ইংলিছ চুটযোৰ তেওঁক দি সাক্ষাৎকাৰ দিয়াত সহায় আগবঢ়াইছিল। সেইদিনা সু-দৰ্শন পুৰুষ কামাখ্যা

কুমাৰক সাইলাখ এজন ইউৰুপিয়ান ব্যক্তিৰ দৰেই দেখা গৈছিল। সাক্ষাৎকাৰত তেওঁক বুদ্ধিদীপ্ত ব্যৱহাৰ আৰু মনোমোহা ব্যক্তিত্বৰ দ্বাৰা সাক্ষাৎ গ্ৰহণকাৰীসকল মুগ্ধ হৈছিল আৰু অসম প্ৰশাসনিক সেৱাৰ বাবে তেওঁক নিযুক্ত দিছিল।

আৰম্ভণিতেই তেওঁ বৰপেটাত উপপতি সমাহৰ্তা (S.D.C) ৰ ৰূপত যোগদান কৰে। জীৱনৰ আন এটা অধ্যায় আৰম্ভ কৰিবলৈ ওলোৱাৰ আগমুহূৰ্ত্তত পিতৃ ৰজনী কুমাৰ পদ্মপতিয়ে পুত্ৰক নানা সজ উপদেশ সহ আশীৰ্বাদ দি চিৰদিন সততা আৰু নিঃস্বাৰ্থ আদৰ্শত ব্ৰতী থকাৰ অঙ্গীকাৰ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছিল। কামাখ্যা কুমাৰে জীৱনৰ চাকৰি কালৰ সুদীৰ্ঘ সময়ছোৱাত পিতৃৰ উপদেশ আখৰে আখৰে পালন কৰিছিল। সকলোৰে মাজত অতি কম দিনৰ ভিতৰতেই তেওঁ এজন অতি সুদক্ষ, ন্যায়পৰায়ণ বিষয়াৰূপে জনাজাত হৈ পৰিছিল। সেয়ে তেওঁৰ কৰ্মদক্ষতা, সততা আৰু কৰ্ত্তব্য পৰায়ণয়তা অতুলনীয়ভাৱে সৰ্বজন বিদিত আছিল।

প্ৰথমবাৰলৈ চাকৰি সূত্ৰে স্থায়ী ভাৱে ঘৰৰ পৰা বাহিৰলৈ প্ৰস্থান কৰিবলৈ ওলোৱাৰ আগমুহূৰ্ত্তত জ্যেষ্ঠ ভাতৃৰ লগত থকা দণ্ডীৰামক লাচনি-পাচনিখিনি কৰি দিবৰ কাৰণে তেওঁৰ লগত ঠাই দিছিল। সেই দণ্ডীৰাম কালক্ৰমত কামাখ্যা কুমাৰৰ পৰিয়ালটিৰ বাবে বিশ্বস্ত ব্যক্তি হৈ পৰিছিল। তেওঁ য'লৈকে বদলি হৈ গৈছিল সেই ঠাইলৈকে দণ্ডীৰামক লৈ ফুৰিছিল। দণ্ডীৰামে নিষ্ঠাৰ সৈতে তেওঁক চোৱা-চিতা কৰিছিল আৰু কামাখ্যা কুমাৰে যাতে বিনা দ্বিধাই একান্তভাৱে চৰকাৰী দায়িত্ব পালন কৰি যাব পাৰে তাৰ বাবে যত্নৰ ত্ৰুটি কৰা নাছিল। এনেদৰে দণ্ডীৰাম পৰিয়ালৰ আপোন হৈ পৰিছিল। অৱসৰৰ শেষ দিনলৈকে তেওঁৰ লগতে আছিল। পিছলৈ পৰিয়ালসহ দণ্ডীৰাম নলবাৰীত থাকিবলৈ লৈছিল।



কামাখ্যা কুমাৰে চাকৰি সূত্ৰে মঙ্গলদৈ, চিদনি, ৰহা, চামগুৰি আদি বিভিন্ন স্থানত নিযুক্ত হৈছিল। সকলো অঞ্চলতে তেওঁৰ আকৰ্ষণীয় ব্যক্তিত্বৰ দ্বাৰা সকলোকে আকৰ্ষিত কৰিব পাৰিছিল। তেওঁ চিৰদিনেই এজন অতিশয় সুদক্ষ সৎ বিষয়াৰূপে জনাজাত আছিল। সৰ্বসাধাৰণ ৰাইজৰ প্ৰতি সম্পূৰ্ণ সহানুভূতি আছিল। ৰাইজৰ যি কোনো দুৰ্যোগত নিঃস্বাৰ্থ সেৱা আগবঢ়াই সকলোৰে প্ৰিয়পাত্ৰ হ'ব পাৰিছিল। এবাৰ বানাক্ৰান্ত ৰাইজৰ উদ্ধাৰ কাৰ্য্যত এখন তুলুঙা নাৱত উঠি এদল কৰ্মীৰ সৈতে দিনে নিশাই এক অভিযানত লিপ্ত হৈ পৰিছিল

মঙ্গলদৈত তেওঁ দণ্ডাধীশ পৰ্য্যায়ৰ বিশেষ কৰ্ত্তব্যৰত বিষয়া ৰূপে দায়িত্ব পালন কৰিবলগীয়া হৈছিল। সেই সময়ত ছাদুল্লা চৰকাৰৰ "Grow more food" নীতিৰ অৱলম্বনত অবাধে বৰ্ত্তমানৰ বাংলাদেশ অঞ্চলৰ ছিলেট আৰু মৈমন সিং জিলাৰ পৰা পমুৱা মুছলমানসকলক আনি অসমৰ বনাঞ্চলসমূহত বসবাস কৰি কৃষিকাৰ্য্যত ব্ৰতী হ'বলৈ অনুমতি দিয়া হৈছিল। এই সুবিধা গ্ৰহণ কৰি প্ৰয়োজনতকৈ বহু বেছি সংখ্যাত এই বিশেষ জনগোষ্ঠীৰ লোকসকলৰ অনুপ্ৰৱেশ ঘটিছিল। এনে পৰিস্থিতিত কুমাৰে এক বিশেষ প্ৰতাৰনাৰ সন্মুখীন হৈছিল। পমুৱাসকলে যাতে জধে-মধে বনভূমি অধিগ্ৰহণ কৰি অসমৰ সংৰক্ষিত বনাঞ্চলসমূহৰ বিস্তৰ ক্ষতি সাধন কৰিব নোৱাৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰখা তেওঁৰ বাবে প্ৰধান চিন্তাৰ কাৰণ হৈ পৰিছিল। লগতে অসমৰ ভূমিপুত্ৰ বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ বাবে এই নতুন অনুপ্ৰবেশকাৰীসকল যাতে ত্ৰাসৰ কাৰণ অথবা আইন শৃংখলাৰ সমস্যা হৈ উঠিব নোৱাৰে তাৰবাবে বিশেষ সতৰ্কতা ৰক্ষা কৰাৰ সম্পূৰ্ণ দায়িত্ব তেওঁ গ্ৰহণ কৰিব লগীয়া হৈছিল। এনে গধুৰ দায়িত্ব অতি দক্ষতাৰে পালন কৰি উৰ্দ্ধতম কৰ্ত্তৃপক্ষৰ প্ৰিয় ভাজন হ'ব পাৰিছিল।

সুদীৰ্ঘকাল মঙ্গলদৈত সুচাৰুৰূপে নিজ কৰ্ত্তব্য পালন কৰাৰ পিছত তেওঁ নিজ জন্মভূমি তেজপুৰলৈ অতিৰিক্ত দণ্ডাধীশ ৰূপে বদলি হৈ আহিছিল। তেজপুৰত তেওঁৰ পুৰণি সমাজখনৰ লগত পুনৰ যোগসূত্ৰ স্থাপন হৈছিল। তাহানিৰ বন্ধু-বান্ধৱসকলৰ লগত একান্ত হৈ তেওঁলোকৰ যোগেদি নানান সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয় ভাৱে জড়িত হৈ পৰিছিল আৰু অনুষ্ঠানসমূহৰ বিকাশৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। এনেদৰে তেওঁ তেজপুৰ ঐতিহ্যমণ্ডিত অনুষ্ঠান ''অসমীয়া ক্লাৱ'' ৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হোৱাৰ সুবিধা লাভ কৰে। কিন্তু জন্মভূমি তেজপুৰত তেওঁ অধিক দিন থাকিবলৈ নাপালে। অসম চৰকাৰৰ উপ সচিব পদলৈ প্ৰমোচন দি ৰাজধানী শ্বিলঙলৈ তেওঁক বদলি কৰি নিছিল। শ্বিলঙৰ অসম সচিবালয়ত উপ সচিব পদত অতি দক্ষতা আৰু সুখ্যাতিৰে সেৱা আগবঢ়াই উৰ্দ্ধতম কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। তাৰ ফলস্বৰূপে চৰকাৰে তেওঁক সন্মানীয় ভাৰতীয় প্ৰশাসনিক সেৱা (IAS) নিযুক্ত কৰে। লগে লগে অসম চৰকাৰৰ গৃহ আৰু নিয়োগ বিভাগৰ যুটীয়া সচিব হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ গুৰু দায়িত্ব তেওঁৰ ওপৰত অৰ্পণ কৰে। উল্লেখযোগ্য যে সেই সময়ত এই পদটিয়েই মুখ্য সচিব পদটিৰ পিছতেই দ্বিতীয় শ্ৰেষ্ঠ পদ আছিল। যুটীয়া সচিব পদৰ দায়িত্ব তেওঁ অতি নিয়াৰিকৈ পালন কৰি পুনৰ তেওঁৰ কৰ্ম পটুতা তথা কৰ্ম নিপুণতাৰ দৃষ্টান্ত প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। এজন অতি বিচক্ষণ বুদ্ধিদীপ্ত, বিশ্বাসভাজন প্ৰথম শ্ৰেণীৰ বিষয়াৰূপে সমগ্ৰ অসমতে উজলি উঠিব পাৰিছিল। অসম চৰকাৰৰ গুৰুত্বপূৰ্ণ যুটীয়া সচিব পদত একেৰাহে কেইবা বছৰো সুখ্যাতিৰে কাৰ্য্য নিৰ্বাহ কৰি ১৯৬২ চনত চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। কিন্তু তেওঁৰ অভিজ্ঞতা আৰু কৰ্ম্ম নিপুণতাৰ সজ ব্যৱহাৰ আদি গুণৰ বাবে লগে লগে তেওঁক অসম ৰাজ্যিক বিদ্যুৎ



পৰিষদৰ সচিব ৰূপে নিযুক্তি দিয়ে। ইতিমধ্যে পৰিষদে ৰাজ্যখনৰ শক্তিখণ্ডৰ দ্ৰুত উন্নয়নৰ বাবে কেতবোৰ নতুন পৰিকল্পনা আৰু কাৰ্যসূচী হাতত লৈছিল। গতিকে এনে পৰিস্থিতিত কামাখ্যা কুমাৰৰ দৰে এজন দক্ষ আৰু উপযুক্ত লোকক সচিব পদৰ গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰি পৰিষদৰ সৰ্বাঙ্গীন উন্নতি চৰকাৰে কামনা কৰিছিল। তেওঁ এই নতুন দায়িত্ব অতি নিষ্ঠা আৰু দক্ষতাৰে পালন কৰি পৰিষদৰ বিভিন্ন কাৰ্য্যসূচীসমূহ নিয়াৰিকৈ আগবঢ়াই নিব পাৰিছিল। একেৰাহে চাৰি বছৰ কাল এই দায়িত্ব অতি সফলতাৰে পালন কৰি ১৯৬৬ চনত তেওঁ সম্পূৰ্ণ ৰূপে অৱসৰ গ্ৰহণ কৰে।

কামাখ্যা কুমাৰৰ সকলোৰে প্ৰতি এক বিশেষ প্ৰীতি ও মৰম আছিল। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি যে চিদনিত কৰ্ম্মৰত অৱস্থাত তেওঁ ঘটনাক্ৰমে তিনিজন ঘাট-মাওৰা ভাতৃৰ সংস্পৰ্শলৈ আহিছিল। এওঁলোক আছিল যথাক্ৰমে গণেশ, ধণেশ আৰু তণেশ। ঘাট মাওৰা ল'ৰা কেইটিৰ দুখ দুৰ্গতি দেখি তেওঁৰ কোমল হৃদয় অভিভূত হৈ পৰিছিল। লগে লগে তেওঁলোকৰ সম্পূৰ্ণ দায়িত্ব লৈ আশ্ৰয় দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। তেওঁলোকক তেওঁ নিজ সন্তানৰ দৰে জ্ঞান কৰিছিল। তিনিজন ভাই ককাইৰ ডাঙৰজন গণেশ বোলাজন কালক্ৰমত কামাখ্যা কুমাৰৰ ব্যক্তিগত সহায়কৰ স্থান পাইছিল। মাজুজন অৰ্থ্যাৎ ধণেশৰ শিক্ষা দীক্ষাৰ সকলো ব্যৱস্থা কৰিছিল। পিছলৈ তেওঁ ভাৰতীয় সেনা বাহিনীত যোগদান কৰে। সৰুজন অৰ্থ্যাৎ তণেশ বোলাজনৰ অকাল মৃত্যু ঘটে। গণেশ আৰু ধণেশ শেষলৈ নিজ নিজ পৰিয়ালসহ মঙ্গলদৈত নিগাজিকৈ থাকিবলৈ লৈছিল। তেওঁলোক সদায়ে আশ্ৰয় দাতা পিতৃ স্বৰূপ কামাখ্যা কুমাৰৰ ওচৰত চিৰ কৃতজ্ঞ আছিল। সেয়ে তেখেতসকলৰ পৰিয়ালৰ লগত সু-সম্পৰ্ক অটুত ৰাখিছিল।

কামাখ্যা কুমাৰৰ উপযুক্ত সময়ত ডিব্ৰুগড়ৰ প্ৰয়াত নীলম্বৰ দত্ত

ডাঙৰীয়াৰ জীয়াৰীৰ লগত বিবাহ হৈছিল যদিও পত্নীৰ অকাল মৃত্যু হোৱাত এই বিবাহ ক্ষণস্থায়ী হয়। পিছত ১৯৪৩ চনত নগাৱৰ প্ৰয়াত বসন্ত ভূঞাৰ দ্বিতীয় কন্যা সৰোজৰ লগত বিবাহ সম্পন্ন হয় আৰু তেওঁলোকৰ সুখৰ সংসাৰ গঢ়ি উঠে। তেওঁলোকৰ প্ৰথমা কন্যা মীৰাৰ চাৰিঙৰ প্ৰসিদ্ধ ফুকন পৰিয়ালৰ সন্তান ডাঃ অমৃত ফুকনৰ লগত সম্পন্ন হয়। ডাঃ ফুকনে চিভিল চাৰ্জন ৰূপে অৱসৰ গ্ৰহণ কৰি নিগাজিকৈ গুৱাহাটীৰ জ্যোতিনগৰত বসবাস কৰিবলৈ লৈছিল। ইতিমধ্যে তেখেতৰ বিয়োগ ঘটিছে। কামাখ্যা কুমাৰৰ জ্যেষ্ঠ পুত্ৰ প্ৰয়াত পঙ্কজ কুমাৰ পদ্মপতিয়ে R.S.N. কোম্পানীৰ এজেন্ট ৰূপে তেজপুৰত কৰ্মৰত আছিল। তেজপুৰত কৰ্মৰত অৱস্থাত ১৯৬২ চনৰ চীনা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত অধিক ৰাইজ তেজপুৰ এৰি যোৱাৰ সময়ত দিনে নিশাই ফেৰী সেৱাৰ দ্বাৰা অগণন ৰাইজক ব্ৰহ্মপুত্ৰ নদী পাৰ কৰাত যি অপৰিসীম সেৱা আগবঢ়াইছিল সেইকথা আজিও তেজপুৰীয়া ৰাইজে কৃতজ্ঞতাৰে স্মৰণ কৰে। পিছলৈ তেওঁ গুৱাহাটীত স্থায়ীভাৱে থাকিবলৈ লৈছিল। দ্বিতীয় পুত্ৰ অশোক Tea Employee's provident fund নামৰ সংগঠনত চাকৰি কৰি অৱসৰ গ্ৰহণৰ পিছত বাৰহলীয়াৰ পৈতৃক ভূমিত বসবাস কৰি আছে। কনিষ্ঠ পুত্ৰ অমিতে অসম ক'পাৰেটিভ এপেক্স বেঙ্কৰ বিষয়া ৰূপে অৱসৰ গ্ৰহণ কৰি তেজপুৰৰ ধনুৱা নগৰৰ সমীপত বসবাস কৰিছে। কামাখ্যা কুমাৰৰ সৰু জীয়াৰী ৰীতাৰ যোৰহাটৰ প্ৰসিদ্ধ চাহ খেতিয়ক প্ৰয়াত উমা বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ বাণী বৰুৱাৰ লগত সম্পন্ন হয়। শ্ৰী বৰুৱাই ASEB ৰ মুখ্য অভিযন্তা ৰূপে অৱসৰ গ্ৰহণ কৰাৰ পিছত তেজপুৰতে স্থায়ী ভাৱে থাকিবলৈ লয়। উল্লেখযোগ্য যে, কামাখ্যা কুমাৰৰ পত্নী সৰোজ কুমাৰী পদ্মপতি এগৰাকী সু-লেখিকা আৰু প্ৰসিদ্ধ কবি আছিল। সদৌ অসম লেখিকা সমাৰোহৰ তেওঁ এগৰাকী প্ৰতিস্থাতা সদস্য আছিল।



শ্বিলঙত নিয়োজিত সময়ত ''ছেন্সাচচ ট্ৰেচ'' নামৰ অঞ্চলত হেঁপাহৰ এটি বাসগৃহ নিৰ্মাণ কৰিছিল। সমীপৰ লাবান আৰু বিষ্ণুপুৰ অঞ্চলৰ অসমীয়া বাসিন্দাসকলৰ সৈতে এক সৌহাৰ্দ্যমূলক পৰিবেশত সুন্দৰ ভাবে দিনবোৰ অতিবাহিত কৰিব পাৰিছিল। কিন্তু ইতিমধ্যে শ্বিলঙৰ পৰা অসমৰ ৰাজধানী দিছপুৰলৈ স্থানান্তৰিত কৰাত অসমীয়া সকলৰ সৰহ ভাগেই ভৈয়ামলৈ নামি আহিল। কামাখ্যা কুমাৰেও জীৱনৰ শেষ সময়খিনি নিজ জন্মভূমি তেজপুৰত অতিবাহিত কৰাৰ আশা মনত ৰাখি এদিন শ্বিলঙৰ ঘৰ-মাটি বিক্ৰী কৰি ঘৰৰ ল'ৰা ঘৰলৈ উভতি অহাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। তেজপুৰত নিজ ভূমিত এটি গৃহ নিৰ্মাণ কৰি পৰিয়ালসহ থাকিবলৈ লৈছিল।

শ্বিলঙত থকা কালত তেওঁৰ জ্যেষ্ঠ ভাতৃ অন্নদা কুমাৰৰ পৰিয়ালটো গভীৰ সংকটত পৰিছিল। উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ জ্যেষ্ঠজন ভীষণভাবে অসুস্থ হৈ পৰিছিল। পৰিয়ালটোত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছিল। এনে অৱস্থাত কামাখ্যা কুমাৰে তেওঁক শ্বিলঙলৈ নি বহুদিনৰ বাবে লগত ৰাখি সম্পূৰ্ণ দায়িত্ব মূৰ পাতি লৈ চিকিৎসাৰ ব্যৱস্থা কৰিছিল। অন্নদা কুমাৰৰ ডাঙৰ জীয়ৰীৰ উচ্চ-শিক্ষাত যাতে বাধা নপৰে সেই উদ্দেশ্য শ্বিলঙত নিজৰ লগত ৰাখি তেওঁৰ অধ্যয়নৰ ব্যৱস্থা কৰি দিছিল। তেজপুৰত থকা জ্যেষ্ঠ ভাতৃৰ পৰিয়ালটোৰ সংকট মোচনৰ অৰ্থে তেওঁ বিহিত ব্যৱস্থা কৰি দিছিল। এনেবোৰ কাৰ্য্যৰ দ্বাৰা জ্যেষ্ঠ জনৰ প্ৰতি থকা শ্ৰদ্ধা আৰু দায়িত্ববোধ কামাখ্যা কুমাৰৰ চৰিত্ৰত পৰিস্ফুট হৈ পৰিছিল।

কামাখ্যা কুমাৰ পদ্মপতিয়ে অতি সৰল জীৱন-যাপন কৰিছিল। সকলোৰে বাবে তেওঁ আদৰ্শ স্বৰূপ আছিল। তেওঁৰ ব্যক্তিত্ব আছিল অসাধাৰণ আৰু অতিশয় আকৰ্ষণীয়। তেওঁৰ অমায়িক ব্যৱহাৰ তথা সদানন্দ ব্যক্তিত্বই সকলোকে মুগ্ধ কৰি ৰাখিছিল। অসমৰ বিভিন্ন স্থানত চাব ডেপুটি কালেক্টৰ

পদত অধিষ্ঠিত অৱস্থাত দিনে কামাখ্যাই ত্রিশ মাইলমান চাইকেলেৰে ভ্ৰমণ কৰি চৰকাৰী কাম-কাজ চোৱা-চিতা কৰিছিল। কাৰ্য্যালয়ৰ দিনযোৱা পৰিশ্ৰমৰ অন্তত নিয়মিত ভাৱে টেনিচ খেলি দেহ আৰু মনৰ ক্লান্তি দূৰ কৰিছিল। তেওঁ এজন সু-অভিনেতাও আছিল। তেজপুৰৰ বাণ-ৰঙ্গমঞ্চত কেইবাখনো নাটকত অংশ গ্ৰহণ কৰিছিল। সকলোধৰণৰ কিতাপ অধ্যয়ন কৰাটো তেওঁৰ প্ৰধান অভ্যাস আছিল। অসমীয়া, বঙালী, ইংৰাজী সাহিত্যৰ সকলোধৰণৰ গ্ৰন্থ নিয়মিত ভাৱে পঢ়ি বিমল আনন্দ উপলব্ধি কৰিছিল। গভীৰ অধ্যয়নৰ দ্বাৰা বিশ্ব সাহিত্যৰ লগত এক গভীৰ যোগসূত্ৰ স্থাপন কৰিব পাৰিছিল। তেখেতৰ গভীৰ জ্ঞানৰ পৰিচয় নানান সভা সমিতিত প্ৰদান কৰা সাৰগৰ্ভপূৰ্ণ বক্তৃতাসমূহৰ পৰা ৰাইজে জানিবলৈ সুবিধা পাইছিল। অৱসৰৰ পিছৰ সময়খিনি বিভিন্ন গ্ৰন্থসমূহ তেওঁ প্ৰধান আশ্ৰয় হিচাপ পৰিগণিত হৈ পৰিছিল। সাম্প্ৰতিক কালৰ অন্যতম আলোচনী "প্ৰান্তিক"ত তেওঁৰ জীৱনগাঁথা আৰু বৈচিত্ৰপূৰ্ণ অভিজ্ঞতাসমূহ নিয়মিত ভাৱে প্ৰকাশ কৰাৰ সংকল্প শিৰোধাৰ্য্য কৰি হাতত কলম তুলি লৈছিল। ইতিমধ্যে পৰিকল্পনা অনুযায়ী কেইবাটাও সংখ্যাত তেওঁৰ লিখা প্ৰকাশ পাইছিল। কিন্তু পিছলৈ অসুস্থতাৰ বাবে তেওঁৰ আশা অসম্পূৰ্ণ হৈ ৰ'ল।

তেজপুৰত পুনৰ্বাস কৰাৰ দিনৰে পৰা এজন বিশিষ্ট আৰু প্ৰভাৱশালী নাগৰিক হিচাপে তেজপুৰ প্ৰধান প্ৰধান সামাজিক অনুষ্ঠানসমূহৰ লগত তেওঁ ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰিছিল। উত্তৰ পাৰৰ অন্যতম শিক্ষা প্ৰতিষ্ঠান দৰং মহাবিদ্যালয়ত গুৱাহাটী বিশ্ব বিদ্যালয়ৰ প্ৰতিনিধি ৰূপে পৰিচালনা সমিতিৰ এজন সক্ৰিয় সদস্য ৰূপে একেৰাহে ছয় বছৰ ধৰি কাৰ্য্যনিৰ্বাহ কৰিছিল। লগতে তেজপুৰৰ আনখন প্ৰধান মহাবিদ্যালয় তেজপুৰ মহাবিদ্যালয়ৰো তেওঁ পৰিচালনা সমিতিৰ এজন সক্ৰিয় সদস্যৰূপে



মহাবিদ্যালয় খনৰ উন্নতিত আগভাগ লৈছিল। সেইদৰে অসমীয়া ক্লাৱৰ লগত নিবিড় সম্পৰ্ক গঢ়ি তুলিছিল। সেই সময়ত অসমীয়া ক্লাৱে যিবোৰ গঠনমূলক কাৰ্য্যসূচী গ্ৰহণ কৰিছিল সেই আটাইবোৰতে পদ্মপতিদেৱে বিশেষ আগ্ৰহ দেখুৱাইছিল। ক্লাৱৰ উন্নতিৰ হকে অক্লান্ত সেৱা আগবঢ়াইছিল। অসমীয়া ক্লাৱৰ যি কোনো সভা সমিতিত দহো বন কাটি কৰি হ'লেও উপস্থিত থাকি গঠনমূলক পৰামৰ্শ আগবঢ়াই ক্লাৱৰ উন্নতিৰ হকে প্ৰচেষ্টা অব্যাহত ৰাখিছিল।

বয়সৰ নিষ্ঠুৰ আঁচোৰে কামাখ্যা কুমাৰক ক্ৰমাত ৰুগ্ন কৰি তুলিছিল। তদুপৰি কেইবছৰমান আগতে প্ৰিয়তমা পত্নীক হেৰুৱাই ম্ৰিয়মান তথা অকলশৰীয়া অনুভৱ কৰিবলৈ লৈছিল। অৱশেষত সকলোৰে বাবে চিৰসত্য দিনটো এদিন হঠাৎ আহি পৰিছিল। সেইদিনটো আছিল ১৯৮৭ চনৰ কাতি বিহুৰ পবিত্ৰ দিনটি। সেইদিনা পৰিয়াল তথা আত্মীয়-স্বজন আৰু অনেক গুণমুগ্ধ জনক নিঠৰুৱা কৰি তেওঁৰ বৈকুন্ঠ প্ৰয়াণ ঘটে। লগে লগে অসমী আইৰ এগৰাকী সু-সন্তানৰ জীৱন নাটকৰ অন্ত পৰিছিল। কিন্তু অসমবাসীৰ মনত তেওঁ চিৰকালেই এজন আদৰ্শ আৰু সাৰ্থক অসমীয়া ৰূপে নিশ্চয়কৈ জিলিকি থাকিব।